




বৈতুপাত :
পূজা চক্ৰৱৰ্তী
অলংকৰণ :
প্ৰিয়ংকা শইকীয়া
বৰষা বৰা
মৌচুমী দত্তা
অনুলিখন :
নিহাৰীকা হাজৰিকা
মহৎ লোকসকলৰ বাণী
সফলতাৰ কাহিনী নপঢ়িবা কাৰণ তাৰপৰা
অকল কাহিনীটোহে পাবা ,
ব্যৰ্থতাৰ কাহিনী পঢ়িবা তেতিয়াহে
সফল হোৱাৰ উপায় পাবা ।
ড° এ.পি.জে. আব্দুল কালাম

এতিয়া বসন্তকাল
ফুলতকৈ কাঁইটহে ভাল
এইবুলি মই মোৰ কোলাত
আহি পৰিলা
তেজাক্ত ফুলকলি এহাল ।
— হীৰেণ ভট্টাচাৰ্য


উপদেষ্টা
ড° অম্বৰ শইকীয়া


সম্পাদিকা
আকাংক্ষী গগৈ


সহঃ সম্পাদক
যুগল মেধি




ক'তো যেন প্ৰতিভা কোনো মৰা নাই
কোনো শিশু
কোনো বৃক্ষ (নীলাক্ষী ফুকন)
লিমাৰিক
(১)
লিমাৰিকা লিখে ডেঁউ, নিৰ্মালী চুতীয়া,
অবংঘৰ খৰপুৰ, গাঁও যোৰহটীয়া,
পঢ়িয়ালে কাকততো
ছপা হ'ল ফটাফট
সুখি যুগে, একাডেমি বঁটা পাব বেছিয়া!


লিমাৰিক
(১)
লিমাৰিকা লিখে ডেঁউ, নিৰ্মালী চুতীয়া,
অবংঘৰ খৰপুৰ, গাঁও যোৰহটীয়া,
পঢ়িয়ালে কাকততো
ছপা হ'ল ফটাফট
সুখি যুগে, একাডেমি বঁটা পাব বেছিয়া!
(২)
তীৰ্থলৈ গ'ল হেনো পণ্ডিত প্ৰবৰ,
মায়া-মোহ তিয়াগিলে, তিয়াগিলে ঘৰ,
পিছে এৰে কলিকাল
কথা হ'ল আলুথাল
(৩)
যেতিয়া কৰে খেতিয়ক
দুবেলা দুমুঠি
এটা সাঁজো
বোলে, শোক
দুপৰকে শুই নুঠে
(৪)
নিতৌ প্ৰসংগ কৰে
নিজে বাকে তিনিসাঁজ
সুখে ফুটে
নম্লে নচলে
কাৰোব বিচাৰে


অসমত আহোম ৰাজ্যৰ বিস্তাৰ


উপদেষ্টা
ড° অমৰ শইকীয়া
সম্পাদিকা
আকাশী গগৈ
সহ সম্পাদক
যুগল মেধি
আফ্ৰিকাৰ আটাইতকৈ প্ৰসিদ্ধ বিশ্ববিদ্যালয়খনৰ নাম "ইউনিভাৰ্চিটী অব্ চাউথ আফ্ৰিকা" ইয়াৰ প্ৰৱেশদ্বাৰত লিখা আছে :- 'এটা জাতিক ধ্বংস কৰিবলৈ পাৰমাণৱিক আক্ৰমণ বা ক্ষেপণাস্ত্ৰ নিক্ষেপৰ কোনো প্ৰয়োজন নাই। বৰঞ্চ সেই জাতিৰ শিক্ষাৰ্থীসকলক পৰীক্ষাত বঞ্চনাৰ সুযোগ দিলেই হ'ল। কিয়নো এনেধৰণে পৰীক্ষা দি তৈয়াৰ হোৱা চিকিৎসকৰ হাতত মৃত্যু হ'ব ৰোগীৰ। অভিযন্তা সকলৰ দ্বাৰা ধ্বংস হ'ব ঘৰ, অট্টালিকা, দলং আৰু অৰ্থনীতিবিদ সকলৰ দ্বাৰা দেউলীয়া হ'ব দেশৰ বিত্তীয় খণ্ড। তাৰ উপৰিও বিচাৰক সকলৰ হাতত ৰচনা হ'ব ন্যায়িক ব্যৱস্থাৰ কবৰ'
গতিকে শিক্ষাব্যৱস্থা পতন মানে এটা জাতিৰ পতন।
— সংগ্ৰহ
vivo Y21G

অনুগল্প

## পৰিৱৰ্তন

বস্তুত পৰিৱৰ্তন আহিল যেতিয়াৰ পৰা। দিন হাজিৰা কৰি নিজৰ লৰাটোক ডাঙৰ মানুহ কৰা শীৰ্ণ মানুহজন এতিয়া হৃষ্ট-পুষ্ট পকা চুলিৰ বুঢ়া হ'ল আৰু সদায় তেওঁৰ সুখে-দুখে লগ দিয়া মানুহজনীও সকলোৰে বাবে আইতা হ'ল।

এসময়ৰ কেঁচা মাটিৰ ঘৰটো এতিয়া চকুত লগা এটা ধুনীয়া পকীঘৰ হ'ল আৰু এসময়ত অকল ৰাতিহে বন্ধ হোৱা বাঁহৰ দুৱাৰখন কাঠৰ হোৱাৰ পৰা দিনটো বন্ধ থকা হ'ল।

~ মৌচুমী দত্ত

---

সম্পাদকীয়

## অনলাইন সাহিত্য চৰ্চা : ইতিবাচক আৰু নেতিবাচক দিশ


সাহিত্য হৈছে জীৱনৰ আৰ্হি, সমাজৰ দাপোণ। এটা জাতিৰ এখন সমাজৰ ইতিহাস, ৰীতি নীতি এই সকলোবোৰ যেন সাহিত্যৰ মাজেদিয়েই প্ৰকাশ পায়। সাহিত্যৰ সংজ্ঞা সলসলীয়াকৈ দিব নোৱাৰি যদিও লেখক আৰু পাঠকৰ মণিকাঞ্চন সংযোগত সু-সাহিত্যৰ সৃষ্টি হয় বুলি ক'ব পাৰি। কিন্তু আজিকালি পাঠক সকলৰ ৰুচিহীনতা তথা অনাগ্ৰহ সততে চকুত পৰে। লেখক সকলৰ দায়বদ্ধতাৰ কথাবোৰ বৰ্তমান প্ৰায়েই লুকাই থকা পৰিলক্ষিত হয়।


বৰ্তমান দ্ৰুতগতিত প্ৰচাৰ তথা প্ৰসাৰ ঘটা অনলাইন সাহিত্য চৰ্চাৰ ফলত লেখক সকলৰ দায়বদ্ধতা যেন ক'ৰবাত লুকাই গ'ল। লেখা এটা ক'ৰবালৈ প্ৰেৰণ কৰাৰ আগতে বা কোনো সামাজিক মাধ্যমত পোষ্ট কৰোঁতে পাহৰি যায় যে লেখাটোৰ বিষয়বস্তু সাৱলীল তথা সুৰুচিপূৰ্ণ হয়নে নহয় নিৰীক্ষণ নকৰাকৈ লেখা এটা প্ৰচাৰ কৰি দিয়াটো সামাজিক মাধ্যমৰ লেখকসকলৰ ডাঙৰ ভুল। সাধাৰণতেই বৰ্তমান অনলাইন সাহিত্য চৰ্চাৰ জনপ্ৰিয়তা বেছি। সামাজিক মাধ্যমৰ জৰিয়তে বহুতো নৱপ্ৰজন্মৰ সু-লেখকে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে, কিন্তু কেতিয়াবা কেতিয়াবা দেখা যায় যে বাক্য গাঁথনি সাৱলীল তথা কোনো প্ৰাঞ্জল নোহোৱা স্বত্বেও সাহিত্যৰ কোনো এটা বিধা নথকাৰ পাছতো কিছুমান লেখাই জনপ্ৰিয়তা লাভ কৰে। এই ক্ষেত্ৰত পাঠক সকলে গুৰুত্ব দিয়া উচিত।

বৰ্তমান সামাজিক মাধ্যমত লিখা মেলা কৰা মানুহৰ সংখ্যাই সৰহ। আৰু পাঠক সকলো ইয়াৰ ব্যতিক্ৰম নহয়। সামাজিক মাধ্যমৰ এই আলোচনীসমূহত যিমান পঢ়ুৱৈ তথা লেখক তাৰ বিপৰীতে হাতেলিখা আলোচনী, প্ৰাচীৰ পত্ৰিকা আদিৰ লেখক পঢ়ুৱৈ যেন সীমিত হ'বলৈ ধৰিছে। গতিকে অনলাইন সাহিত্য চৰ্চাৰ যিমানখিনি ইতিবাচক দিশ আছে নেতিবাচক দিশো সিমানেই আছে।

সেয়েহে, কেৱল মাত্ৰ অনলাইন সাহিত্য চৰ্চাৰ লগতে জড়িত নাথাকি বিভিন্ন আলোচনী, বাতৰি কাকত বা প্ৰাচীৰ পত্ৰিকাসমূহতো লেখা-মেলা কৰি সাহিত্য চৰ্চাৰে সাহিত্য ক্ষেত্ৰখনৰ মৰ্যাদা ৰক্ষা কৰিব পৰাটোহে প্ৰকৃত লেখক-পঢ়ুৱৈৰ দায়বদ্ধতা।

অধ্যক্ষনী দত্ত


অনুগল্প
সাংসাৰিক মায়া
মানুহ হালৰ মাজত প্ৰায়ে খুট-খাট
লাগিয়ে থাকে। দুদিনলৈ ঘৰখনত
মানুহৰ মাত নুশুনি। মাত্ৰ কোঠাটোৰ
পৰা ভাঁহি আহে টিভিত চলি
থকা ক্ৰিকেট খেলখনৰ কমেণ্ট্ৰী আৰু
পাকঘৰৰ পৰা কাঁহী বাটিৰ মেকেচনিৰ
শব্দ।
তথাপি ৰাতিপুৱা নিৰ্দিষ্ট স্থানত
থাকে মানুহজনে ভাল পোৱা কাৰ্হা
গাখীৰ চাহ কাপ আৰু বিচনাৰ
কাষৰ টেবুলখনত থাকে দৰৱ খাবলৈ
পাহৰি যোৱা মানুহগৰাকীৰ প্ৰেচাৰৰ
টেবলেট কেইটা।
~ নিহাৰীকা হাজৰিকা


কবিতা
ভগৰফুলা ৰাতিৰ কুঁৱাৰী
ভগৰফুলা ৰাতি জোনাক নামিছিল...
শুভ্ৰ ভগৰৰ সুগন্ধিত আমোলমোলাই উঠিছিল
মোৰ মনৰ চিকুণ চোতাল
নঙলামুখলৈ জুমিছিলোঁ জোনাকৰ সতে কিজানি
তুমি আহিছাই....
কিন্তু ক'তা
তুমিটো নাহিলা....
হুমুনিয়াহ এটা পেলাই আকাশলৈ চালোঁ
মাৰিং ফুটা জোনাকত তৰাবোৰে খেলিছে
জোৰৰ অন্তে লুকাভাকু খেলিছে জোনাই
তোমালৈ বুলি সাঁচি ৰখা বিহুৱানখনকো আমুচি,
নঙলামুখৰ পৰা উভতি মোজ লালো....
আমনি আঁতৰাই মা গুৱাপাটিত পৰিছিল হে মাত্ৰ...!
মোৰ উপস্থিতিত সাৰ পাই উঠিল....
কেৰাচিনৰ চাকিটোৰ শলিতাডাল বঢ়াই
মায়ে মোলৈ চাই থৰ লাগিছিল...!
জেতুকাবুলীয়া দুহাতেৰে বুকুত সাবটি ৰখা গামোচাখনলৈ
এবাৰ চাই আকৌ জাপি থলোঁ
পুৰণি বাকচটোৰ তলত কৰ্পুৰৰ গোন্ধে ভৰাই থোৱা
ভগৰক চেৰ পেলাইছিল
নাজানো মায়ে কি বুজিলে..
শিতানৰ গাৰুটো লুটিয়াই
কেৰাচিনৰ চাকিটো ফু-মাৰি নুমুৱাই
শুই পৰিল নিঃশব্দে...!!
— আকাশী গগৈ

প্ৰবন্ধ

# অসমীয়া লোকবাদ্য

পূজা চমাল

অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনত লোকবাদ্যসমূহে এক বিশেষ স্থান অধিকাৰ কৰি আছিছে। পূৰ্বৰে পৰা বাদ্যযন্ত্ৰৰ ক্ষেত্ৰত চহকী অসমীয়া সংস্কৃতিত উচ্চ আসন এখন দাবী কৰি আছিছে শ্ৰীমন্ত শংকৰদেৱৰ হাতত সৃষ্ট বাদ্যসমূহে। যাইকে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লক্ষ্য আগত ৰাখি ব্যৱহাৰ কৰা এই বাদ্যযন্ত্ৰসমূহ সংগীত আৰু নৃত্য দুয়োবিধ কলাতে সমানে ব্যৱহাৰ কৰা হয়। অসমীয়া সংস্কৃতিত ব্যৱহাৰ হোৱা বেৰ্ইপদমান বাদ্যৰ জন্ম পৰিচয় ইয়াত আলোচনা কৰা হৈছে—

ঢোল : ঢোল হল অসমীয়া সংস্কৃতিৰ এক অনুকৰণীয় বাদ্যযন্ত্ৰ। অসমত ঢোলৰ সৃষ্টি বহু প্ৰাচীন। ঢোল নহ'লে অসমীয়াৰ বিহুত নাইকীয়া হয়। কিয়নো বহাগ বিহুত হুচৰি গাওঁতে ঢোল ব্যৱহাৰ কৰা হয়। অসমীয়া সমাজৰ বিবাহ অনুষ্ঠানতো ঢোলৰ ব্যৱহাৰ আছে।

পেঁপা : পেঁপা অসমীয়া সংস্কৃতিৰ এক অন্যতম বাদ্যযন্ত্ৰ। অসমীয়াৰ জাতীয় উৎসৱ বিহুত পেঁপাক ঢোলৰ সমানে ব্যৱহাৰ কৰা হয়। এটা সম্পূৰ্ণ পেঁপা বনালে কেইবাপদো সামগ্ৰীৰ প্ৰয়োজন। যেনে- মহৰ শিং, বুলনি, চিকণি আদি পেঁপা নিৰ্মাণৰ অত্যাৱশ্যকীয় সামগ্ৰী।


তাল : এক সুকীয়া বৈশিষ্ট্যৰে ভৰপূৰ এইবিধ বাদ্যই অসমীয়া সংস্কৃতিৰ ভঁৰালটো অনবদ্য বৰঙনি আগবঢ়াইছে। তাল কাঁহেৰে তৈয়াৰ কৰা হয়। ধৰ্মীয় অনুষ্ঠানৰ লগতে বিহু আদি উৎসৱমুখৰ অনুষ্ঠানতো তালৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য। তালৰ ভিন্ন ৰূপ পোৱা যায়। যেনে- ভোৰতাল, খুটিতাল, পাটিতাল, বৰতাল ইত্যাদি। তালি তাল নামৰ এবিধ সৰু তাল বৰগীতৰ লগত বজোৱা হয়। ভোৰতাল বিশেষকৈ নামপ্ৰসংগ, ভাওনা, গায়ন আদিত ব্যৱহাৰ কৰা হয়।

ডবা : ৰাতিপুৱা আৰু সন্ধ্যা সময়ত অসমৰ প্ৰতিখন গাঁৱৰ নামঘৰ ডবা কাঁহৰ শব্দৰে মুখৰিত হৈ উঠে। ডবা কাঁহৰ শব্দই মানুহৰ মনলৈ ভগৱানৰ প্ৰতি ভক্তি ভাৱ আনে। ডবাৰ উচ্চতা প্ৰায় আঢ়ৈ ফুটৰ পৰা চাৰি তিনিফুটলৈকে হ'ব পাৰে।

খোল : খোল অসমীয়া সাংস্কৃতিক জগতখনৰ অতিকৈ আদৰণীয় বাদ্য। খোলক বৈকুণ্ঠৰ বাদ্য বুলি কোৱা হয়। খোল মাটি বা কাঠ দুয়োটাৰে সাজিব পাৰি। খোলৰ এটা ফাল কিছু ডাঙৰ, ইয়াক 'কোঁৱা' বুলি কোৱা হয় আৰু আনটো ফাল সৰু, ইয়াক 'তালি' বুলি কোৱা হয়। খোলৰ বিভিন্ন অংশ, যেনে- বৰতি, মন্দুৰা, ঘূণ, ঘেৰ ইত্যাদি।

ইয়াৰ বাহিৰেও অসমীয়া সকলৰ বহু আদৰণীয় বাদ্য অসমত আছে। টোকাৰী, গগনা, সুতুলী, নাগাৰা, বাঁহী আদি বহুতো আদৰণীয় বাদ্যই অসমীয়া সংস্কৃতিৰ ভঁৰালটো চহকী কৰি ৰাখিছে।





প্ৰবন্ধ


# ক্ৰিকেট খেলৰ জন্ম


বৰ্তমান বিশ্ব খেলজগতৰ এক জনপ্ৰিয় আৰু চহকী খেল হ'ল ক্ৰিকেট। এই ক্ৰিকেট খেলৰ আৰম্ভ হৈছিল চতুৰ্দশ শতিকাত ইংলেণ্ডত। কিন্তু ই আধুনিক খেল হিচাপে বিবেচিত হয় অষ্টাদশ শতিকাতহে। ১৮৭৭ চনত অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত অষ্ট্ৰেলিয়া দল আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত হোৱা প্ৰথম টেষ্ট মেচখনৰ মাধ্যমেৰে ক্ৰিকেটে আনুষ্ঠানিক ৰূপত প্ৰতিষ্ঠা হয়। আনহাতে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত এই টেষ্ট মেচৰ জৰিয়তেই একদিনীয়া ক্ৰিকেটৰো জন্ম হয়।

১৯৭১ চনত অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত টেষ্ট মেচৰ দ্বাৰা একদিনীয়া ক্ৰিকেটৰো আৰম্ভ হয় আকস্মিকভাৱে। বৰষুণৰ কাৰণে জানুৱাৰী মাহৰ আৰম্ভণিতে মেলবৰ্ণ ক্ৰিকেট গ্ৰাউণ্ডত ইংলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজত আৰম্ভ হয় বৰ্তমানৰ চলি থকা টেষ্ট মেচখন। বৰষুণৰ উপস্থিতিত আৰম্ভ হোৱা খেলখনৰ প্ৰথম তিনিদিন খেলা নোহোৱাকৈ বন্ধ হৈ আছিল। ক্ৰমাৎ বৰষুণৰ মাজত খেল হোৱাৰ সম্ভাৱনা নোহোৱাত টিকট ক্ৰয় কৰা দৰ্শকসকলক ঘূৰাই দিবলগীয়া হ'ল। সেইবাবে আয়োজকসকলে খেলখনৰ অন্তিম অৰ্থাৎ পঞ্চম দিনা দুয়োটা দলক একেটাকৈ ইনিংছ খেলাৰ পৰামৰ্শ দিছিল। যুক্তি অনুসৰি কোৱা হয় যে যিটো দলে এটা ইনিংছত বেছি ৰাণ কৰিব সেই দলটোৱেই বিজয়ী বুলি ঘোষণা কৰা হ'ব। প্ৰতিটো দলক নিৰ্দিষ্ট ৪০ অভাৰকৈ বাটি দিয়া হ'ব। এই দুয়োটা দলৰ মাজত আৰম্ভ হোৱা অন্তিম দিনৰ খেলখনৰ পৰাই আৰম্ভ হয় বিশ্ব ক্ৰিকেটৰ একদিনীয়া খেলৰ ইতিহাস। ১৯৭১ চনৰ ৫ জানুৱাৰীত আৰম্ভ হোৱা সেইদিনৰ খেলখনত অষ্ট্ৰেলিয়াই ৫ উইকেটৰ বিজয় সাব্যস্ত কৰে।

১৯৭১ চনত অষ্ট্ৰেলিয়াত আৰম্ভ হোৱা একদিনীয়া ক্ৰিকেটৰ ৯ বছৰৰ আগতেই অৰ্থাৎ ১৯৬২ চনত ইংলেণ্ডত কাউণ্টি ক্ৰিকেট দলবোৰৰ মাজত প্ৰতিযোগিতা আৰম্ভ হৈছিল। সেইকাৰণে বহুতে ইংলেণ্ডতে একদিনীয়া ক্ৰিকেটৰ শুভাৰম্ভ ঘটে বুলি কয় [illegible]।

— ৰক্ষা বৰা


হংসধ্বনি শুনিছোঁ
ৰাতি পুৱাইছেনে ৰাতি মেলিছে.....
— নীলমণি ফুকন
হাইকু
(কেইটামান জাপানী হাইকুৰ অসমীয়া অনুবাদ কবিতা)
বসন্তৰ এটা সেমেকা দিন
পাহাৰৰ ওপৰত
শিপা নোহোৱা ডাৱৰ ॥
— হেকিচাট
আজি জোনাকে আঁকিছে
নীল আকাশত
পাইন গছৰ ছবি ॥
— ৰাণচেটচু
গ্ৰীষ্মৰ ৰাতি
সাৰে আছে বেলি
মুদ খাই আছে মোৰ চকুহাল
— মেৰিটাকো
ধান ৰুই থকা ছোৱালীবোৰৰ
লগা নাই বোকা
সিহঁত গানবোৰত ॥
— ৰাইজান
ডালবোৰৰ মাজত
এটি মামো পাত
কাঢ়িলী পুৰাৰ নীৰৱতা ॥
— হাকেট
মুগুতাইছে
সম্পাদনা সমিতি
"তুমি হাত মেলিলেই কলাপ
লৰে কি চকু
তুলি মেলিলেই বৰষুণজো
পাত আহি পৰে"
(নৃত্যৰতা


সময় সংবাদ
* ইংৰাজীত গণিত- বিজ্ঞানৰ শিক্ষাদানলৈ প্ৰতিক্ৰিয়াঃ অসমীয়াতো পঢ়িব পাৰিব ছাত্ৰ- ছাত্ৰীয়ে — শিক্ষামন্ত্ৰী
* 'দৈনিক জনমভূমি'ৰে আচুতীয়া সাক্ষাৎকাৰত বিশিষ্ট উদ্যোগপতিঃ 'আন্তঃ গাঁথনি শক্তিশালী হ'লে অসমত জন্ম হ'ব আৰু বহু ক্ৰীড়া- প্ৰতিভাৰ'
* ডিব্ৰুগড়ত ঘৰুৱা মেজমেল ঐক্যবদ্ধ আহোম সংগঠনৰ হুংকাৰ শীঘ্ৰেই জনজাতিকৰণ নহ'লে আহোমে কৰিব পৃথক ৰাজনৈতিক চিন্তা। সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিৰোধিতা।
* বিশ্ব বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ জয় লৌহকন্যা লাভলীনা বৰগোহাঁইৰ
* ৰাষ্ট্ৰীয় প্ৰেক্ষাপট মাষ্টাৰচেফ ইণ্ডিয়াত উজ্জ্বলিল অসম সন্তান নয়নজ্যোতি শইকীয়া আৰু সান্তা শৰ্মা।
* 2023 চনৰ শিক্ষাবৰ্ষৰ পৰা অসমত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি- 2020 পূৰ্ণৰূপত বলবৎ হোৱাকৈ কাৰ্যপন্থা গ্ৰহণ : অসম চৰকাৰ

কবিতা


## অসমাপ্ত কথাবোৰ



বিক্ষিপ্ত আশাবোৰ বুটলি এটা এটাকৈ
খোঁচ দি
পিন্ধিছিলো এযোৰ ৰ'দ বৰণীয়া পোচাক

ৰ'দাই লোৱা বুকুখনত
উম লৈ
ী উঠিছে এজাক পোহনীয়া সপোন

ময় চকৰী নিজৰ মতে ঘূৰে
তটো দিনেই এদিন অতীত হয় এভিটো হতাশাৰ
হুতো জন্ম হয় ন ন আশা
লি যি কথাৰ বাবে আশাবোৰ পুহিছিলো
পোনে গজালি মেলিছিল
গইলে মৰহিব
অথবা সি নকৈ পোখা মেলিব



কিছু কথা দেখুৱাব নোৱাৰি
অথচ বাঢ়নী পানীৰ দৰে
হঠাতে বাঢ়ে বুকুত।



— ভুম্ৰা গগৈ